# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-JAN-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। কোকৰাঝাৰৰ কাৰিগাঁৱৰ শেহতীয়া সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ ৰাজ্য চৰকাৰৰ আৰ্থিক সাহায্য প্ৰদান।
২। সমগ্ৰ ৰাজ্যতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উৎসাহ-উদ্দীপনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন।
৩। জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি বিনিময় প্ৰথাৰ হাট মুকলি। ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান।
৪। ৰাজ্যৰ ভিন ভিন অংশত বিভিন্ন কাৰ্যসূচীৰে নেতাজীৰ জন্মদিন পালন। **আৰু**
৫। ৰায়পুৰত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

ooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কোকৰাঝাৰৰ কাৰিগাঁৱৰ শেহতীয়া সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰে। এই অনুসৰি সংঘৰ্ষত নিহত হোৱা দুজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ, আহত ৩ জনৰ পৰিয়ালৰ এক লাখ টকাকৈ আৰু ক্ষতিগ্ৰস্ত ৪৩টা পৰিয়াললৈ ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। মন্ত্ৰীগৰাকীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সৈতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাক্ষাৎ কৰি এই এককালিন সাহায্যৰ চেক প্ৰদান কৰে। শ্ৰীমল্লবৰুৱাই জিলাখনত সংঘৰ্ষত লিপ্ত হোৱা দুয়োটা সম্প্ৰদায়ৰ লোকসকলে বৰ্তমান শান্তি শৃংখলা বজাই ৰখাৰ বিষয়টোত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে বিটিআৰ খণ্ডত শান্তি শৃংখলা বজাই ৰখাৰ উপৰি ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

ooooo

সমগ্ৰ ৰাজ্যতে আজি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উৎসাহ-উদ্দীপনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন কৰা হয়। ৰাজ্যখনৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ লগতে অন্যান্য শিক্ষা প্ৰতিষ্ঠানত আজি পুৱাৰে পৰা বাগদেৱীৰ পূজা অৰ্চনা কৰা হয়। ধৰ্মীয় ৰীতি-নীতিৰে মা সৰস্বতীক আকৰ্ষণীয়কৈ সজাই বেদীত প্ৰতিষ্ঠা কৰি জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীৰ শ্ৰীচৰণত ছাত্ৰ-ছাত্ৰীসকলে আশিস লয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠান তথা বিভিন্ন আবাসিক অঞ্চলত সৰস্বতী পূজাৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ অসম জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদিত আজি ছাত্ৰ-ছাত্ৰীৰ লগতে আন ভক্তিপ্ৰাণ ৰাইজৰো সমাগম পৰিলক্ষিত হয়। আকাশবাণী গুৱাহাটীৰ আৱাসিক চৌহদতো পৰম্পৰাগত ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হয়। ডিব্ৰুগড়ৰ প্ৰতিখন শিক্ষানুষ্ঠানতে মাংগলিক ৰীতি-নীতিৰে সৰস্বতী পূজা পালন কৰা হয়। ইয়াৰ মাজতে ডিব্ৰুগড় জিলাৰ পৰিবহন আৰক্ষীয়ে আইন ভংগ কৰা যান-বাহনসমূহৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হয়। ডিব্ৰুগড়ৰ জগন্নাথ মন্দিৰৰ সমীপত হেলমেট বিহীন চালকক জৰিমনা বিহাৰ উপৰি বিকট শব্দ

কৰা বাহন তথা নম্বৰ প্লেটবিহীন বহুসংখ্যক বাহন জব্দ কৰে। সৰস্বতী পূজা উপলক্ষে জিলাখনৰ জগন্নাথ মন্দিৰ, ৰাধা-কৃষ্ণ মন্দিৰকে ধৰি সকলো মন্দিৰত ভিৰ পৰিলক্ষিত হয়।

যোৰহাট, শিৱসাগৰ, তেজপুৰ, দৰং, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, তামুলপুৰ, দক্ষিণ শালমাৰা মানকাচৰ, ধুবুৰী, শিলচৰ, শ্ৰীভূমি আৰু আন জিলাকেইখনতো আজি বাগদেৱীৰ পূজা যথাবিহিত কাৰ্যসূচীৰে পালন কৰে বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনাইছে।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মুকলি কৰা বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰে। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত আজি মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত মন্ত্ৰী পীযূষ হাজৰিকাই তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰে।

**বাইট (পীযূষ হাজৰিকা)**

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত কালিৰে পৰা অনুষ্ঠিত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱ ২০২৬ৰ দ্বিতীয় সংস্কৰণত আজি কেইবাখনো মনোগ্ৰাহী ছবি প্ৰদৰ্শন কৰা হয়। জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত আজি কাৰ্বি ভাষাৰ ছবি **কাংৰ' আলতি** (দা লষ্ট পাথ) অসমীয়া ভাষাৰ ছবি **ৰ'দৰ পাখি** আৰু ভিয়েটনামৰ ছবি **কু-লি নেভাৰ ক্ৰাইজ** প্ৰদৰ্শন কৰা হয়। মহোৎসৱৰ আৰম্ভণিৰ দিনা কালি বড়ো ভাষাৰ ছবি **মোনাবিলি** (এন ইভিনিং বেলাড), জাপানী ভাষাৰ ছবি **এছ** আৰু উজবেকিস্তানৰ ছবি **ছানডে'** প্ৰদৰ্শিত হয়। গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱে এইবাৰ বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়ালৈ জীৱনজোৰা সাধনা বঁটা আগবঢ়াইছে। মহোৎসৱৰ সৈতে সংগতি ৰাখি চলচ্চিত্ৰৰ সৈতে জড়িত বিভিন্ন আলোচনা চক্ৰও অনুষ্ঠিত হৈছে। এই বিষয়ত সবিশেষ জনাইছে ছবি নিৰ্মাতা অমৰদ্বীপ গগৈয়ে—

**বাইট (অমৰদ্বীপ গগৈ)**

০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হয়। অসমৰ বিভিন্ন স্থানতো নেতাজীৰ সোঁৱৰণত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। **গুৱাহাটী**ৰ পল্টন বজাৰৰ নেতাজী চ'কত আজি সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জন্মদিন উদযাপন সমিতিৰ উদ্যোগত মহান স্বাধীনতা যুঁজাৰুগৰাকীৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকী উদযাপন কৰা হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মুখ্য অতিথি হিচাপে অংশ লৈ নেতাজীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। মন্ত্ৰীগৰাকীয়ে ভাৰতক ব্ৰিটিছ শাসনৰ পৰা মুক্ত কৰাৰ বাবে আজাদ হিন্দ ফৌজ গঠন কৰা নেতাজীৰ অদম্য সাহস আৰু বীৰত্বৰ শলাগ লয়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

শতবৰ্ষ গৰকা যোৰহাটৰ অন্যতম সাংস্কৃতিক-সামাজিক অনুষ্ঠান লক্ষী ইউনিয়ন বেংগলী ক্লাবৰ উদ্যোগত নেতাজীৰ জন্মবাৰ্ষিকী উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত স্বাধীনতা আন্দোলনত নেতাজীৰ অৱদান, পূৰ্ণ স্বাধীনতাৰ সপক্ষে নেতাজীৰ সংগ্ৰাম, ফৰ্ৱৰ্ড ব্লক গঠন আদিকে ধৰি বিভিন্ন বিষয়ে স্মৰণ কৰা হয়।

**শিলচৰ**ত নেতাজীৰ জন্মদিন উদযাপন সন্দৰ্ভত আমাৰ সংবাদদাতা আঁখীৰাণী দাসে এইদৰে কয়—

**ভইচকাষ্ট (আঁখীৰাণী দাস)**

**ধুবুৰী** জিলাৰ বিভিন্ন স্থানতো আজি পৰাক্ৰম দিৱস উদযাপন কৰা হয়। জিলাখনৰ পাঁচমূৰত থকা নেতাজীৰ প্ৰতিমূৰ্তিস্থলীৰ লগতে গৌৰীপুৰ, সাপটগ্ৰাম, চাপৰ আদি স্থানতো বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। বিলাসীপাৰাত নেতাজী সেৱা সদনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পৰাক্ৰম দিৱস অনুষ্ঠিত হয়। **গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইত নেতাজী সুভাষ চন্দ্ৰ বসু জন্মদিন উপলক্ষে শোভাযাত্ৰা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। দুধনৈৰ জনমন্দিৰ প্ৰাংগণত বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন আৰু আঞ্চলিক মহিলা ফেডাৰেচনৰ সহযোগত পৰাক্ৰম দিৱস উদযাপন কৰা হয়।

পৰাক্ৰম দিৱস উপলক্ষে শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ কেন্দ্ৰীয় বিদ্যালয়ত অপাৰেচন সিন্দূৰ বিষয়ত জিলা পৰ্যায়ৰ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

00000

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা কেইবাখনো খেল অনুষ্ঠিত হয়। ঢকুৱাখনাৰ বিষ্ণুৰাম মেধি খেলপথাৰত অনুষ্ঠিত অসম আৰু নাগালেণ্ডৰ মাজৰ খেলখন ৩-৩ গ'লত ড্ৰ' হয়। গ্ৰুপ-এৰ খেলখনত অসম দলে প্ৰথম অৱস্থাত নাগালেণ্ডক চাপত ৰাখে যদিও পাছত নাগালেণ্ডে সুন্দৰ প্ৰদৰ্শনেৰে সমতা স্থাপন কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাত আজি পশ্চিমবংগ আৰু উত্তৰাখণ্ডৰ মাজৰ আন এখন খেল গ'ল শূন্যভাৱে ড্ৰ' হয়। পাছত খেলখনৰ অতিৰিক্ত সময়ত পশ্চিমবংগই উত্তৰাখণ্ডক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত মুঠ ৬ পইণ্টেৰে পশ্চিমবংগ দল গ্ৰুপ-এৰ শীৰ্ষত আছে। ইপিনে চিলাপথাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত তামিলনাডুৱে ৰাজস্থানক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

00000

৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা অনাবৰণ কৰিব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুচকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা।

ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা অনাবৰণ কৰিব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সমাগত গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় ২৬ জানুৱাৰীলৈকে খোলা ৰাখিবলৈ জিলা আয়ুক্তই এখন জাননী জাৰি কৰিছে। তদুপৰি জিলা প্ৰশাসনে ২৫ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা ২৭ জানুৱাৰীৰ দিনৰ ১২ বজালৈ ডিব্ৰুগড় পৌৰ নিগম এলেকাৰ ভিতৰত আৰু খনিকৰ চাৰিআলিৰ পৰা ডিব্ৰুগড় চহৰলৈ ডাম্পাৰ, নিৰ্মাণ সামগ্ৰী সৰবৰাহ কৰা যান-বাহন তথা অন্যান্য গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰিছে।

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি সমাগত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে জাগিভকত গাঁৱত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ধেমাজিৰ সদৰৰ ঐতিহাসিক কাছাৰী ময়দান প্ৰাঙ্গনত দৈনিক কুচকাৱাজৰ অনুশীলন অব্যাহত আছে। এইবেলি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৩২টা দলে অংশ লোৱাৰ কথা।

হাটশিঙিমাৰীৰ অসম-মেঘালয় সীমান্ততো সমাগত গণৰাজ্য দিৱস উপলক্ষে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত সীমান্ত সুৰক্ষা বাহিনীয়ে নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে সকলো পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি  অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলসমূহত মেঘালয়ৰ পৰা প্ৰবেশ কৰা প্ৰতিখন বাহনত তালাচী চলোৱা হৈছে।

ooooo

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ ‘দৃষ্টিপাত’ অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত ‘মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ’ শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ’ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল খন্তেক সময় পাছতে ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ’ব। ভাৰতে টছত জিকি প্ৰথমে নিউজিলেণ্ডক বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনাইছে। ভাৰতৰ মূল দলটোত যশপ্ৰীত বুমৰা আৰু অক্ষৰ পেটেলৰ ঠাইত কুলদ্বীপ যাদৱ আৰু হৰ্ষিত ৰাণাক অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰত নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত সম্প্ৰতি ১-০ত আগবাঢ়ি আছে।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ মীন পালন আৰু জৈৱ-বৈচিত্ৰ্য কেন্দ্ৰত বিশেষ মীন গৱেষণা কেন্দ্ৰ মুকলি কৰে। তদুপৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কৃষক প্ৰশিক্ষণ আৱাস গৃহৰো আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ননীগোপাল মহন্ত উপস্থিত থাকে। ইয়াৰ ফলত ৰাজ্যৰ মীন পালন খণ্ডত দক্ষতা বিকাশ, গৱেষণা আৰু সামৰ্থ্য নিৰ্মাণ ত্বৰান্বিত হ’ব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয় আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ মাজত বিশেষ মীন সম্পৰ্কীয় গৱেষণা তথা সংৰক্ষণ সংবৰ্ধন কৰাৰ উদ্দেশ্যে বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়।

ooooo

সমাপ্ত